**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 30-06-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কৈছে যে আন আন খণ্ডৰ লগতে প্ৰযুক্তিয়ে পশু চিকিৎসাৰ ঔষধ আৰু যতনলৈ অভূতপূৰ্ব পৰিৱৰ্তন সাধনৰ সম্ভাৱনা আছে।

২। বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে ছদিনীয়া চৰকাৰী কাৰ্যসূচীৰে স্পেইন, পৰ্টুগাল আৰু ব্ৰাজিললৈ ৰাওনা হৈছে।

৩। চাওতাল জনজাতিৰ লোকসকলৰ স্বাধীনতা আৰু ন্যায়ৰ বাবে ব্ৰিটিছ্ ইষ্ট ইণ্ডিয়া কোম্পেনীৰ বিৰুদ্ধে যুঁজি নিজৰ জীৱন উচৰ্গা কৰা চাওতালী বীৰসকললৈ শ্ৰদ্ধা জনোৱাৰ উদ্দেশ্যে আজি হুল দিৱস উদযাপন কৰা হৈছে।

৪। বিজেপিয়ে আজি ৱাক্‌ফ সংশোধনী বিধেয়ক সন্দৰ্ভত বিতৰ্কিত মন্তব্য কৰাৰ বাবে আৰ জে ডিৰ নেতা তেজস্বী যাদৱক সমালোচনা কৰিছে।

আৰু

৫। লণ্ডনৰ অল ইংলেণ্ড ক্লাবত আজিৰেপৰা চলিত বৰ্ষৰ তৃতীয়টো গ্ৰেণ্ডশ্লেম উইম্বলডন টেনিছ্ প্ৰতিযোগিতা অনুষ্ঠিত হ’ব।

ooooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কৈছে যে আন আন খণ্ডৰ লগতে প্ৰযুক্তিয়ে পশু চিকিৎসাৰ ঔষধ আৰু যতনলৈ অভূতপূৰ্ব পৰিৱৰ্তন সাধনৰ সম্ভাৱনা আছে। ৰাষ্ট্ৰপতিগৰাকীয়ে উত্তৰ প্ৰদেশৰ বৰেলীত থকা ভাৰতীয় পশু চিকিৎসা গৱেষণা প্ৰতিষ্ঠানৰ একাদশ সমাৱৰ্তন সমাৰোহত ভাগ লৈ এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে প্ৰযুক্তিৰ ব্যৱহাৰে সমগ্ৰ দেশৰ পশু চিকিৎসালয়সমূহক সমৃদ্ধ কৰিছে। শ্ৰীমতী মুৰ্মুৱে কয়, যে কৃত্ৰিম বুদ্ধিমত্তা, তথ্যৰ বিশ্লেষণ আদিকে ধৰি বিভিন্ন পদ্ধতিয়ে পশু চিকিৎসাৰ ক্ষেত্ৰত পৰিৱৰ্তন সাধন কৰিছে। ৰাষ্ট্ৰপতিগৰাকীয়ে জীৱ-জন্তুসমূহৰ পৰিপুষ্টি আৰু চিকিৎসাৰ বাবে থলুৱা আৰু কম ব্যয় পদ্ধতি ব্যৱহাৰ কৰাৰ বাবে আহ্বান জনাইছে। তেওঁ কয়, যে সমগ্ৰ দেশতে স্বাস্থ্যৰ গুৰুত্বৰ ক্ষেত্ৰত সজাগতা বৃদ্ধি পাইছে। ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে এই অগ্ৰণী পশু চিকিৎসা প্ৰতিষ্ঠানখনে আই ভি আৰ আই পদ্ধতি ব্যৱহাৰ কৰি এইক্ষেত্ৰত বিশেষ উপকৃত হৈছে। অনুষ্ঠানত কেন্দ্ৰীয় কৃষি মন্ত্ৰী শিৱৰাজ সিং চৌহানে কয়, যে ভাৰতীয় পশু চিকিৎসা গৱেষণা প্ৰতিষ্ঠানে বিশ্বৰ বাবে এটা নিৰ্দিষ্ট দিশ নিৰ্ণয় কৰিছে। উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্য নাথো এই অনুষ্ঠানত উপস্থিত থাকে।

ৰাষ্ট্ৰপতিগৰাকীয়ে গোৰখপুৰৰ সৰ্বভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠান-এইমছৰ প্ৰথম সমাৱৰ্তন কাৰ্যসূচীত অংশগ্ৰহণ কৰি কৃতি শিক্ষাৰ্থীসকলক মেডেল প্ৰদান কৰিব।

ooooooooo

বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে ছদিনীয়া চৰকাৰী কাৰ্যসূচীৰে স্পেইন, পৰ্টুগাল আৰু ব্ৰাজিললৈ ৰাওনা হৈছে। মন্ত্ৰীগৰাকীয়ে স্পেইন ভ্ৰমণৰ সময়ত ৰাষ্ট্ৰসংঘই আয়োজন কৰা বিত্ত সন্দৰ্ভত আন্তঃৰাষ্ট্ৰীয় সন্মিলনত অংশগ্ৰহণ কৰিব। নতুন আৰু বৰ্তমানৰ সমস্যা বহনক্ষম বিকাশৰ লক্ষ্যত উপনীত হোৱাৰ প্ৰয়োজনীয়তা আৰু আন্তঃৰাষ্ট্ৰীয় বিত্তীয় গাঁথনিৰ সংস্কাৰ সাধনৰ উদ্দেশ্যে এই সন্মিলনৰ আয়োজন কৰা হৈছে। মন্ত্ৰীগৰাকীয়ে লগতে এই সন্মিলনৰ লগত সংগতি ৰাখি আয়োজন কৰা আন্তঃৰাষ্ট্ৰীয় ব্যৱসায়িক মঞ্চৰ নেতাসকলৰ সন্মিলনত ভাষণ দিব। শ্ৰীমতী সীতাৰমনে জাৰ্মানী, পেৰু আৰু নিউজিলেণ্ডৰ কেইবাগৰাকীও মন্ত্ৰীক সাক্ষাৎ কৰাৰ লগতে ইউৰোপীয় বিনিয়োগ বেংকৰ অধ্যক্ষগৰাকীৰ সৈতেও মিলিত হ’ব।

পৰ্টুগাল ভ্ৰমণৰ সময়ত তেওঁ দেশখনৰ বিত্তমন্ত্ৰীগৰাকীৰ সৈতে দ্বিপাক্ষিক বৈঠকত ভাগ ল’ব। ইয়াৰ পাছতে প্ৰখ্যাত বিনিয়োগকাৰী আৰু ভাৰতীয় সম্প্ৰদায়ৰ লোকসকলৰ সৈতে মত বিনিময় কৰিব। ব্ৰাজিল ভ্ৰমণৰ সময়ত শ্ৰীমতী সীতাৰমনে নিউ

ডেভেলপমেণ্ট বেংকৰ দশম বাৰ্ষিক বৈঠক সম্বোধন কৰিব। তেওঁ ৰিঅ'ডা জেনেৰিঅ'ত প্ৰথম ব্ৰিক্‌ছৰ বিত্তমন্ত্ৰীসকল আৰু চেণ্ট্ৰল বেংকৰ অধ্যক্ষসকলৰ বৈঠকতো ভাগ ল'ব।

০০০০০০০০০

চাওতাল জনজাতিৰ লোকসকলৰ স্বাধীনতা আৰু ন্যায়ৰ বাবে ব্ৰিটিছ ইষ্ট ইণ্ডিয়া কোম্পেনীৰ বিৰুদ্ধে যুঁজি নিজৰ জীৱন উচৰ্গা কৰা চাওতালী বীৰসকললৈ শ্ৰদ্ধা জনোৱাৰ উদ্দেশ্যে আজি হুল দিৱস উদযাপন কৰা হৈছে। ১৮৫৫ চনৰ ৩০ জুনত আৰম্ভ হোৱা এই বিদ্ৰোহক চান্থাল হুল নামেৰেও জনা যায়। ইয়াৰ জৰিয়তে চাওতালী জনজাতিৰ লোকসকলে ব্ৰিটিছৰ দমনমূলক নীতিৰ বিৰোধিতা কৰিছিল। সিধু আৰু কানহু মুৰ্মুৱে ভনীয়েক ফুলু আৰু ঝানুৰ সহযোগত বৃহৎ সংখ্যক জনজাতীয় ডেকা-গাভৰু একগোট হৈ তেওঁলোকৰ অধিকাৰৰ হকে ব্ৰিটিছৰ বিৰুদ্ধে যুঁজ দিছিল। এই বিদ্ৰোহ ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ স্মৰণীয় অধ্যায়ৰূপে বিবেচিত হৈছে, কিয়নো তৃণমূল পৰ্যায়ৰ নেতৃত্ব আৰু জনজাতীয় অধিকাৰৰ ক্ষেত্ৰত ই বিশেষ ভূমিকা গ্ৰহণ কৰিছে। ১৮৭৬ চনৰ চাওতাল পৰগণাৰ ভূমি আইন আৰু ১৯০৮ চনৰ চোটনাগপুৰ ভূমি আইনৰ জৰিয়তে জনজাতীয় লোকসকলৰ অধিকাৰ আৰু সংস্কৃতি ৰক্ষাৰ ব্যৱস্থা লোৱা হৈছিল বাবে ব্ৰিটিছে এই বিদ্ৰোহ দমন কৰিছিল। এই চান্থাল হুল ঔপনিৱেশিক ব্যৱস্থাৰ বিৰুদ্ধে এটা জন আন্দোলন ৰূপে পৰিগণিত হৈছিল। এই বিদ্ৰোহৰ পৰা প্ৰেৰিত হৈ ভাৰতৰ অন্যান্য প্ৰান্ততো জনজাতীয় বিদ্ৰোহে মূৰ দাঙি উঠাৰ লগতে ভূমি পুত্ৰসকলে নিজৰ পৰিচয়ৰ প্ৰতি সচেতন হৈ উঠিছিল।

০০০০০০০

ভাৰতীয় ৰে'লৱেই কাইলৈৰ পৰা কাৰ্যকৰী হোৱাকৈ ৰে'লৰ সকলো শ্ৰেণীৰ যাত্ৰীৰ ভাৰা সামান্য বৃদ্ধি কৰাৰ সিদ্ধান্ত লৈছে। ক'ভিড মহামাৰীৰ পাছত ভাৰতীয় ৰে'লৱেই প্ৰথমবাৰৰ বাবে যাত্ৰী ভাৰা বৃদ্ধিৰ সিদ্ধান্ত লৈছে। সেই অনুসৰি এক্সপ্ৰেছ আৰু মেইল গাড়ীৰ ক্ষেত্ৰত শ্লিপাৰ শ্ৰেণীৰ ভাৰা প্ৰতি কিলোমিটাৰত ১ পইচাকৈ আৰু শীতোতাপ নিয়ন্ত্ৰিত শ্ৰেণীৰ ক্ষেত্ৰত প্ৰতি কিলোমিটাৰত ২ পইচাকৈ বৃদ্ধি কৰা হৈছে। অৱশ্যে ৫০০ কিলোমিটাৰ কম দূৰত্বৰ সাধাৰণ শ্ৰেণীৰ আৰু উপ-মহানগৰীয় ৰে'ল ভাৰাৰ ক্ষেত্ৰত এই বৃদ্ধি প্ৰযোজ্য নহ'ব।

০০০০০০০০০

ধাৰাসাৰ বৰষুণৰ বাবে সাময়িকভাৱে বন্ধ ৰখা উত্তৰাখণ্ডৰ চাৰিধাম যাত্ৰা আজিৰেপৰা পুনৰ আৰম্ভ হৈছে। গাৰোৱালৰ আয়ুক্ত বিনয় শংকৰ পাণ্ডেই জানিবলৈ দিছে যে জিলা দণ্ডাধীশ সকলে  নিজ নিজ এলেকাত স্থানীয় বতৰৰ প্ৰতি লক্ষ্য ৰাখি নিৰ্ধাৰিত পথেৰে পুনৰ যানবাহন চলাচলৰ নিৰ্দেশ দিব পাৰিব। বিগত দুটা দিনত হোৱা নেৰানেপেৰা বৰষুণৰ ফলত ৰাজ্যখনৰ নৈসমূহৰ জলস্তৰ বৃদ্ধি পাইছে। পাহাৰীয়া অঞ্চলসমূহত ১০০তকৈও অধিক পথ ভূমিস্খলনৰ বাবে বন্ধ হৈ আছিল।

০০০০০০০০০

বিজেপিয়ে আজি ৱাক্‌ফ সংশোধনী বিধেয়ক সন্দৰ্ভত বিতৰ্কিত মন্তব্য কৰাৰ বাবে আৰ জে ডিৰ নেতা তেজস্বী যাদৱক সমালোচনা কৰিছে। নতুন দিল্লীত আজি দলৰ মুখপাত্ৰ ডঃ সুধাংশু ত্ৰিবেদীয়ে কয়, যে বিহাৰ বিধানসভাৰ বিৰোধী নেতাই ন্যায়পালিকা তথা সংসদ কোনো এটাৰ প্ৰতিও কোনো সন্মান প্ৰদৰ্শন নকৰে। তেওঁ কয়, যে কালি পাটনাত এখন ৰাজহুৱা সভাত তেজস্বী যাদৱে সংসদে পাৰিত কৰা এই ৱাক্‌ফ সংশোধনী বিধেয়কখন ডাষ্টবিনলৈ দলিয়াই দিব লাগে বুলি মন্তব্য কৰিছিল। দেশৰ জৰুৰীকালীন অৱস্থাৰ কথা উল্লেখ কৰি শ্ৰী ত্ৰিবেদীয়ে কয়, যে কংগ্ৰেছ নেতৃত্বাধীন মিত্ৰজোঁটে ৫০ বছৰৰ পাছতো সংবিধানক ডাষ্টবিনলৈ দলিয়াই দিয়াৰ মনোভাৱৰ পৰা আঁতৰি আহিব পৰা নাই। তেওঁ কয়, যে আৰ জে ডি, সমাজবাদী পাৰ্টীৰ দৰে যিসমূহ দলে সমাজবাদৰ আদৰ্শ গ্ৰহণ কৰি আছে, তেওঁলোকে দৰিদ্ৰ আৰু বঞ্চিত মুছলমান সকলৰ অধিকাৰৰ হকে কেতিয়াও থিয় নহয়। বিজেপিৰ নেতাগৰাকীয়ে তেজস্বী যাদৱৰ এই মন্তব্যক ভোট বেংকৰ ৰাজনীতি বুলি অভিহিত কৰিছে।

০০০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰই কাইলৈ ৭৮ সংখ্যক প্ৰতিষ্ঠা দিৱস বিস্তৃত কাৰ্যসূচীৰে পালনৰ আয়োজন কৰিছে। আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে বিভাগটোৰ উত্তৰণৰ বাবে কাম কৰি যোৱা কেইবাগৰাকীও প্ৰয়াত সহকৰ্মীৰ আলোকচিত্ৰ বাতৰি বিভাগৰ

লবীত স্থাপনৰ ব্যৱস্থা কৰিছে। প্ৰয়াত সহকৰ্মী কেইগৰাকীৰ পৰিয়ালে আগবঢ়োৱা এই আলোকচিত্ৰকেইখন কাইলৈ আনুষ্ঠানিকভাৱে স্থাপন কৰা হ'ব। প্ৰতিষ্ঠা দিৱস উপলক্ষে আকাশবাণী গুৱাহাটী কেন্দ্ৰই কাইলৈ দিনৰ ১০ বজাত গুৱাহাটীৰ উজানবজাৰৰ বিবেকানন্দ কেন্দ্ৰৰ প্ৰেক্ষাগৃহত এটা অন্তৰংগ অনুষ্ঠানৰ আয়োজন কৰিছে। ইয়াৰ লগতে সন্ধিয়া চাৰে ৬ বজাত আকাশবাণী গুৱাহাটী কেন্দ্ৰই ৰঙিয়াৰ হৰদত্ত-বীৰদত্ত ভৱনত 'ওপজা দিনৰ সুবাস' শীৰ্ষক এটা সংগীতানুষ্ঠানৰ আয়োজন কৰিছে। অনুষ্ঠানত বিশিষ্ট সংগীত শিল্পী দিলীপ দাসৰ গীত আৰু আলাপ, ডম্বৰুধৰ পাঠক আৰু জবা দাসৰ লোকগীত, উৎপল বৰাৰ মেন্দোলিন বাদন আৰু ৰঙিয়াৰ সমন্বয়ী কলাকেন্দ্ৰৰ শিল্পীসকলৰ নৃত্যানুষ্ঠান পৰিৱেশন কৰা হ'ব। উল্লেখযোগ্য যে আকাশবাণী গুৱাহাটীয়ে ৭৭ বছৰ ইতিহাসত এইবাৰ প্ৰথমবাৰৰ বাবে গুৱাহাটীৰ বাহিৰত প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীৰ আয়োজন কৰিছে।

0000000

লণ্ডনৰ অল ইংলেণ্ড ক্লাবত আজিৰেপৰা চলিত বৰ্ষৰ তৃতীয়টো গ্ৰেণ্ডশ্লেম উইম্বলডন টেনিছ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। এই প্ৰতিযোগিতা ১৩ জুলাইত পুৰুষৰ একক শাখাৰ চূড়ান্ত প্ৰতিযোগিতাৰে সামৰণি পৰিব। প্ৰতিযোগিতাত চলিত বৰ্ষৰ ফ্ৰেন্স অ'পেন খিতাপ অৰ্জন কৰা কাৰ্লছ আলকাৰেজে বিশ্বৰ শীৰ্ষস্থানৰ জেইনিক ছিনাৰ আৰু ২৪ বাৰ গ্ৰেণ্ডশ্লেম খিতাপ অৰ্জন কৰা ন'ভাক জ'ক'ভিচ অৱতীৰ্ণ হ'ব। পুৰুষৰ দ্বৈত শাখাত ভাৰতৰ চাৰিগৰাকী খেলুৱৈয়ে অংশগ্ৰহণ কৰিব। ৰোহণ বাপান্নাই তেওঁৰ বেলজিয়ামৰ সংগী ছেন্দাৰ গীলেৰ সৈতে আৰু যুকী ভাম্ব্ৰি আমেৰিকাৰ ৰবাৰ্ট গেল'ৰেৰ সৈতে প্ৰতিযোগিতাত ভাগ ল'ব। ভাৰতৰ ঋত্বিক বল্লিপালিয়ে ৰোমানিয়াৰ নিকোলাছ বেৰিয়েণ্টছ আৰু এন শ্ৰীৰাম বালাজীয়ে মেক্সিক'ৰ মিগুৱেল ৰেয়েছ ৱৰেলাৰ সৈতে অংশ ল'ব।

000000000

সমাপ্ত